# গুৱাহাটী কলেজত ৰাজ্যিক ভিত্তিত কুইজ-তৰ্ক প্ৰতিযোগিতা সম্পন্ন



**গুৱাহাটী, ৩০ আগষ্ট ঃ** অসমৰ আগশাৰীৰ শৈক্ষিক-গৱেষণা সংস্থা 'বটানিকেল ছ'চাইটি অব্ আছাম'ৰ উদ্যোগত আৰু গুৱাহাটী মহাবিদ্যালয় শিক্ষক গোটৰ সহযোগত আজি মহাবিদ্যালয়ৰ সভাকক্ষত প্ৰয়াত গণেশ চন্দ্ৰ বৰদলৈ সোঁৱৰণী ৰাজ্যিক পৰ্যায়ৰ আন্তঃপ্ৰতিষ্ঠান প্ৰাইজমানি কুইজ প্ৰতিযোগিতা আৰু প্ৰয়াত ৰামবল্লভ ভট্টাচাৰ্য সোঁৱৰণী ৰাজ্যিক পৰ্যায়ৰ আন্তঃপ্ৰতিষ্ঠান প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতা সফলতাৰে সম্পন্ন হয়। পুৱা দহ বজাত অনুষ্ঠিত দুয়োখন প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত গুৱাহাটী মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ড° ধৰণী লাহনে আদৰণী ভাষণ প্ৰদান কৰাৰ লগতে অনুষ্ঠানত 'বটানিকেল ছ'চাইটি অব্ আছাম'ৰ সভাপতি কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰদীপ কুমাৰ বৰুৱা, ছ'চাইটিৰ সম্পাদক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা নীলাক্ষি দেৱীয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। গুৱাহাটী মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° জিণ্টু শৰ্মাই আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অসম সংগীত পৰিবেশন কৰে। কুৰিটাৰো অধিক দলে অংশগ্ৰহণ কৰা কুইজ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দেৱাশিস ডেকা আৰু প্ৰিয়ানুজ পৰাশৰ, কটন বিশ্ববিদ্যালয়ৰ ৰাজপ্ৰতিম চৌধুৰী আৰু নিশিগন্ধা অনুভৱী আৰু কটন বিশ্ববিদ্যালয়ৰ দীপম সাহা আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ মানসজ্যোতি বৈশ্যৰ দলে। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহঃ পঞ্জীয়ক ড° উপকুল শৰ্মাই পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাৰ বিষয় আছিল মূলতঃ প্ৰকৃতি আৰু পৰিবেশ। আনহাতে একেদিনাই অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰ মতে 'বেদখলেই বন ধ্বংসৰ মূল কাৰণ'। গুৱাহাটী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক দিব্যৰঞ্জন খাটনিয়াৰে অধ্যক্ষৰ আসন শুৱনি কৰা তৰ্ক প্ৰতিযোগিতাত বিচাৰক হিচাপে আসন গ্ৰহণ কৰে বি বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট তাৰ্কিক ড° মানবেন্দ্ৰ শৰ্মা আৰু ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়ৰ অধ্যাপিকা তথা বিশিষ্ট তাৰ্কিক কংকণা গোস্বামীয়ে। তৰ্ক প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষা প্ৰতিষ্ঠানসমূহৰ দুকুৰিৰো অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা লাভ কৰে জে বি আইন মহাবিদ্যালয়ৰ আগস্ত কাশ্যপ আৰু দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰিতুৰাজ শইকীয়াই। দলীয় হিচাপে প্ৰথম, দ্বিতীয় আৰু তৃতীয় দলৰ পুৰস্কাৰ লাভ কৰে ক্ৰমে— জে বি আইন মহাবিদ্যালয়, কে চি দাস কমাৰ্চ কলেজ আৰু গুৱাহাটী কমাৰ্চ কলেজৰ দলে। প্ৰতিযোগিতাৰ শেষত বিজয়ী প্ৰতিযোগীসকলক বঁটাসমূহ প্ৰদান কৰা হয়।